**4 SEM TDC ASM M 2**

**2018**

( May )

ASSAMESE

( Major )

Course : 402

( অসমৰ ভাষা আৰু লিপি )

*Full Marks* : 80

*Pass Marks* : 32/24

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। (ক) অসমত কি কি ভাষা-পৰিয়ালৰ ভাষা প্ৰচলন হৈ আছে? এই পৰিয়ালসমূহৰ অন্তৰ্গত ভাষাসমূহৰ একোখনকৈ তালিকা প্ৰস্তুত কৰাঁ। লগতে অসমত প্ৰচলন হৈ থকা ভাৰতীয় আৰ্য শাখাৰ ভাষাসমূহৰ এটি পৰিচয়সূচক টোকা যুগুত কৰাঁ। ৩+৬+৭=১৬

*অথবা*

(খ) অসমত প্ৰচলিত তিব্বত-বৰ্মীয় শাখাৰ ভাষাসমূহৰ এটি পৰিচয়সূচক আলচ যুগুত কৰাঁ। ১৬

২। উপভাষা বুলিলে কি বুজা? অসমীয়া ভাষাৰ উপভাষাৰ শ্ৰেণীবিভাজন সম্পৰ্কে এটি আভাস দাঙি ধৰাঁ। শ্ৰেণীবিভাজনৰ ভিত্তিত অসমীয়া ভাষাৰ যি কোনো এটা উপভাষাৰ ভাষিক বৈশিষ্ট্য বিচাৰ কৰি এটি টোকা প্ৰস্তুত কৰাঁ। ২+৫+৮=১৫

৩। (ক) 'অসমীয়া ভাষাৰ ৰূপতত্ত্বত অসমৰ তিব্বত-বৰ্মীয় শাখাৰ ভাষাসমূহৰ অৱদান'—এই শীৰ্ষক এটি আলোচনা যুগুত কৰাঁ। ১৫

*অথবা*

(খ) অসমৰ আৰ্য-ভিন্ন ভাষাসমূহত অসমীয়া ভাষাৰ উপাদান গ্ৰহণ কৰাৰ সম্ভাব্য কাৰণসমূহ বিচাৰ কৰাঁ। লগতে মিচিং ভাষাৰ অসমীয়া ভাষাৰ শব্দগত উপাদান সম্পৰ্কে এটি টোকা লিখাঁ। ৭+৮=১৫

৪। তলৰ যি কোনো দুটাৰ বিষয়ে লিখাঁ : ৭×২=১৪

(ক) অসমৰ তিব্বত-বৰ্মীয় ভাষাৰ সুৰ

(খ) বড়ো ভাষাৰ বচন আৰু লিংগ

(গ) মিচিং ভাষাৰ স্বৰধ্বনিৰ বৈশিষ্ট্য

৫। তলৰ যি কোনো তিনিটাৰ চমু টোকা লিখাঁ : ৫×৩=১৫

(ক) মধ্যযুগৰ অসমীয়া লিপি

(খ) কানাই বৰশী বোৱা লিপি আৰু ইয়াৰ গুৰুত্ব

(গ) বামুনীয়া লিপি আৰু ইয়াৰ বৈশিষ্ট্য

(ঘ) অসমৰ জনজাতীয় ভাষাৰ লিপি

৬। উত্তৰ লিখাঁ : ১×৫=৫

(ক) IPA-ৰ সম্পূৰ্ণ ৰূপটো লিখাঁ।

(খ) টুৰুং ভাষাটো কোনটো তিব্বত-বৰ্মীয় ভাষাৰ দ্বাৰা প্ৰভাৱিত হৈছে?

(গ) জৰ্জ আব্ৰাহাম গ্ৰিয়াৰছনে কোনখন গ্ৰন্থত অসমৰ চীন-তিব্বতীয় পৰিয়ালৰ ভাষাসমূহৰ বিষয়ে আলোচনা কৰিছে?

(ঘ) বড়ো ভাষাৰ বিষয়ে বিদ্যায়তনিক দিশত গৱেষণা কৰা অসমৰ প্ৰথমগৰাকী গৱেষকৰ নাম লিখাঁ।

(ঙ) ইউনেস্কোৰ সমীক্ষাত প্ৰকাশিত তথ্যৰ ভিত্তিত অসমৰ বিপদাপন্ন (endangered) ভাষা এটাৰ নাম লিখাঁ।

★★★